**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-JAN-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সৰুপথাৰত ৭২ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে সৰুপথাৰ বিধানসভা সমষ্টিৰ ২৩ হাজাৰ ৭৫৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত মহিলা উদ্যমিতা অভিযানৰ ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰিব। ড° শৰ্মাই সৰুপথাৰত ১২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা লাভলীনা বৰগোহাঁই ক্ৰীড়া প্ৰকল্প উদ্বোধনৰ লগতে বৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন, বৰপথাৰ শিশু উদ্যান আৰু গেলাবিল আৰু দুবৰণি পথ উদ্বোধন কৰিব। তেওঁ লগতে অসমমালাৰ অধীনত ২৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া বৰপথাৰ-গোলাঘাট সংযোগী পথৰ প্ৰথম পৰ্যায় আৰু মিছামাৰী-বিলপথাৰ তথা অভংপথাৰ-শ্যামগাঁও মথাউৰিৰ আধাৰশিলা স্থাপন কৰিব। আজি দিনৰ ১ বজাত লাভলীনা বৰগোহাঁই ক্ৰীড়া প্ৰকল্পত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী অজন্তা নেওগ, কাজিৰঙাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকন উপস্থিত থাকিব।

০০০০০০

ডিব্ৰুগড় জিলাৰ টিংখাঙৰ টিপমীয়া ধোৱাপথাৰ বৰনামঘৰ প্ৰাংগনত ৩ জানুৱাৰীৰ পৰা অনুষ্ঠিত মৃদংগিয়া গায়ন-বায়ন সংস্থাৰ দ্বিতীয় দ্বিবাৰ্ষিক ৰাজ্যিক অধিবেশনত কালি মুকলি সভাত কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱাল উপস্থিত থাকে। শ্ৰী সোণোৱালে সোণোৱালে মৃদংগ বায়নৰ জৰিয়তে অসমৰ সংস্কৃতিৰ বৰপথাৰখন চহকী কৰা তথা নতুন প্ৰজন্মক জাতীয় সংস্কৃতি চৰ্চা আৰু প্ৰসাৰৰ ক্ষেত্ৰত দায়বদ্ধ কৰি তোলাৰ বাবে অনুপ্ৰাণিত কৰি অহা মৃদংগিয়া গায়ন-বায়ন সংস্থাৰ শলাগ লয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি তেওঁৰ ওপজা গাঁও বিন্ধাকটা মুলুকগাঁৱত ৰাইজৰ সৈতে বনভোজৰ আনন্দ উপভোগ কৰে। তেওঁ জনসাধাৰণক নৱবৰ্ষৰ শুভেচ্ছা জনাই সকলোৰে কুশল কামনা কৰে।

**বাইট**

০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে কালি ধেমাজিৰ জোনাই সমষ্টিত ৩ খন নতুন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ৩ খন উপ স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। ৰাজ্যত তৃণমূল পৰ্যায়ত স্বাস্থ্য সেৱা উন্নত কৰি তোলাৰ লক্ষ্যৰে ২ কোটি ৪৩ লাখ টকা ব্যয় সাপেক্ষে এই প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু উপ স্বাস্থ্য কেন্দ্ৰ কেইটাৰ আধাৰশিলা স্থাপন কৰা হৈছে। ইয়াৰ ভিতৰত জোনাইৰ নপাম কুলি, চমকং আৰু গালি স্বাস্থ্য কেন্দ্ৰৰ লগতে কাকবাৰী আৰু কদমতল উপস্বাস্থ্য কেন্দ্ৰ আছে। ভাষণ প্ৰসংগত স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্বত সুস্থ অসম গঢ়াৰ বাবে প্ৰচেষ্টা অব্যাহত আছে। স্বাস্থ্যবান পৰিয়াল, স্বাস্থ্যবান সমাজৰ আধাৰ বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে  কয় যে এনে সমাজে এখন শক্তিশালী ৰাজ্য গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰাজ্যত বৰ্তমান চিকিৎসা মহাবিদ্যালয়সমূহৰ পৰা বছৰি ভালেসংখ্যক চিকিৎসক সৃষ্টি হৈছে আৰু ইয়াৰ জৰিয়তে চিকিৎসকৰ নাটনিৰ সমস্যা প্ৰায় সমাধান হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত কৰ্মচাৰীসকলৰ সমস্যাসমূহো আলোচনাৰ মাধ্যমেৰে সমাধানৰ আশ্বাস দিয়ে।

শ্ৰীসিংহলে কালি ডিব্ৰুগড় জিলাৰ টিংখাং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰো আধাৰশিলা স্থাপন কৰে। এই স্বাস্থ্য কেন্দ্ৰটোত বহিঃৰোগ কক্ষ, জৰুৰীকালীন কক্ষ, পেথলেবকে ধৰি প্ৰায়বোৰ উন্নত মানৰ সুবিধা উপলব্ধ হ'ব।

০০০০০০

ৰাজ্যত আজি পুৱা ৪ বাজি ১৭ মিনিটত ৫ দশমিক ৪ প্ৰাবল্যৰ ভূমিকম্পই জোকাৰি যায়। ভূমিকম্পৰ অভিকেন্দ্ৰ মৰিগাঁও জিলাৰ ধিং অঞ্চলত ভূ-পৃষ্ঠৰ পৰা ১০ কিলোমিটাৰ গভীৰত বুলি জানিব পৰা গৈছে। ভূমিকম্পৰ জোকাৰণি বাংলাদেশ, ম্যানমাৰ, ভূটান, চীনতো অনুভূত হয়। অৱশ্যে এই ভূমিকম্পত বৰ্তমানলৈ কোনো ক্ষয়-ক্ষতিৰ বাতৰি পোৱা নাই।

০০০০০০

শিৱসাগৰৰ এগৰাকী উদ্যমী ব্যক্তি তথা 'সত্ৰৰত্ন' উপাধিৰে বিভূষিত উজনিয়াল সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তৰ কালি নিশা ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯২ বছৰ। এগৰাকী উদ্যোগপতি হিচাপেও পৰিচিত প্ৰয়াত লক্ষ্মীকান্ত মহন্তই ফুটবল, ভলীবল, বাস্কেটবল আদি নিৰ্মাণৰ কাৰখানা গঢ়ি তুলিছিল। ইণ্ডাছ স্পৰ্টছ্ ৰেল নামৰ তেওঁৰ এটি সকলো ধৰণৰ খেলৰ পোচাক নিৰ্মাণ কৰা উদ্যোগো আছিল। অসম সত্ৰ মহাসভাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত প্ৰয়াত মহন্তই সামাজিক, সাংস্কৃতিক ক্ষেত্ৰখনৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে নিষ্ঠাৰে সেৱা আগবঢ়াইছিল। আজি তেওঁৰ মৃতদেহ শিৱসাগৰৰ সেউজ নগৰত ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰে সৎকাৰ কৰা হ'ব।

০০০০০০

**সমাপ্ত**